**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে বাবে স্বাস্থ্যক চৰকাৰৰ সবকা সাথ-সবকা বিকাশ দৃষ্টিভংগীৰ মূল স্তম্ভ হিচাপে অভিহিত কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে এক সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰে।

৩। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কাইলৈৰ পৰা হ'বলগীয়া দিল্লী বিধানসভাৰ তিনিদিনীয়া অধিৱেশনত কেগৰ প্ৰতিবেদনে গুৰুত্ব লাভ কৰিব বুলি প্ৰকাশ কৰিছে।

৪। শান্তি ৰক্ষাত মহিলাঃ গ্লোৱেল ছাউথৰ দৃষ্টিভংগী সন্দৰ্ভত মহিলা শান্তিৰক্ষকসকলৰ প্ৰথমখন সন্মিলন কাইলৈ নতুন দিল্লীত আৰম্ভ হ'ব।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ আজি ডুবাইত অনুষ্ঠিত খেলত পাকিস্তানে ভাৰতক জয়ৰ বাবে ২৪২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোৰে বাবে স্বাস্থ্যক চৰকাৰৰ সবকা সাথ-সবকা বিকাশ দৃষ্টিভংগীৰ মূল স্তম্ভ হিচাপে অভিহিত কৰিছে। মধ্য প্ৰদেশৰ চতৰপুৰ জিলাত বাগেশ্বৰধাম চিকিৎসা আৰু বিজ্ঞান গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰতিষ্ঠানত প্ৰান্তীয় ৰোগীসকলৰ বাবে বিনামূলীয়া চিকিৎসা আগবঢ়োৱা হ'ব। এই প্ৰতিষ্ঠান ১০ একৰ ভূমিত নিৰ্মাণ কৰা হ'ব বুলি সদৰী কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে  কয়, যে প্ৰথম পৰ্য্যায়ত ১০০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপন কৰা হ'ব। কৰ্কট চিকিৎসালয়খনত বিশেষজ্ঞ চিকিৎসক উপলব্ধ হোৱাৰ লগতে ইয়াত অত্যাধুনিক সা-সৰঞ্জামো ব্যৱস্থা কৰা হ'ব। কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰয়াসৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে চলিত বছৰৰ বাজেটত কৰ্কট ৰোগৰ সৈতে যুঁজ দিবলৈ বিভিন্ন আঁচনিৰ বিষয়ে ঘোষণা কৰা হৈছে। কৰ্কট ৰোগৰ ঔষধ সুলভ হৈ পৰিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে পৰৱৰ্তী ৩ বছৰত দেশৰ প্ৰতিখন জিলাতে কৰ্কটৰ সেৱা কেন্দ্ৰ মুকলি কৰা হ'ব। জিলা চিকিৎসালয়সমূহত কৰ্কট ৰোগৰ চিকিৎসাৰ বিশেষ কেন্দ্ৰ মুকলি কৰাৰ বিষয়েও

তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে আয়ুষ্মান যোজনা আৰু জন ঔষধি কেন্দ্ৰৰ দৰে চৰকাৰী সুবিধাসমূহৰ লাভ ল'বলৈ জনসাধাৰণলৈ আহ্বান জনায়। কিছুসংখ্যক ৰাজনৈতিক দলে সনাতন ধৰ্ম সন্দৰ্ভত দিয়া মন্তব্যৰ সমালোচনা কৰি শ্ৰীমোদীয়ে কয়, যে ধৰ্মক উপলুঙা কৰা নেতাৰ এটা দল আছে। এই লোকসকলে আমাৰ উৎসৱ তথা পৰম্পৰাসমূহক উপলুঙা কৰি অহা বুলিও তেওঁ মত প্ৰকাশ কৰে। হিন্দু বিশ্বাসক পচন্দ নকৰা এই লোকসকল শতিকাজুৰি অন্য বেশত লুকাই থকা বুলিও তেওঁ উল্লেখ কৰে। কিছু বিদেশী শক্তিয়েও এই লোকসকলক সমৰ্থন কৰা বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্দিৰসমূহক প্ৰাৰ্থনাস্থলীৰ উপৰি বিজ্ঞান আৰু সামাজিক সজাগতাৰ কেন্দ্ৰ বুলি অভিহিত কৰে। তেওঁ কয়, যে ঋষি-মুনিসকলে সূচনা কৰা আয়ুৰ্বেদ বিজ্ঞান তথা যোগাভ্যাসৰ দৰে পৰম্পৰাসমূহ সম্প্ৰতি সমগ্ৰ বিশ্বই অনুসৰণ কৰিছে।

শ্ৰীমোদীয়ে সন্ধিয়াৰ ভাগলৈ ভূপালত বিজেপিৰ সাংসদ, বিধায়ক তথা অন্যান্য বিষয়াসকলৰ সৈতে মত বিনিময় কৰাৰ কথা। মধ্য প্ৰদেশ, বিহাৰ আৰু অসম ভ্ৰমণৰ তিনিদিনীয়া কাৰ্য্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰীগৰাকী আজি মধ্য প্ৰদেশত উপস্থিত হয়। শ্ৰীমোদীয়ে ভূপালত দুদিনীয়া কাৰ্য্যসূচীৰে আয়োজিত গোলকীয় বিনিয়োগকাৰীৰ শীৰ্ষ সন্মিলন-২০২৫ মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ বিহাৰৰ ভাগলপুৰ ভ্ৰমণ কৰি পি এম কিষাণ আঁচনিৰ ঊনবিংশ কিস্তি প্ৰদান কাৰ্য্যসূচী মুকলি কৰিব। দেশজুৰি ৯ দশমিক ৭ কোটিতকৈও অধিক কৃষকে মুঠ ২১ হাজাৰ ৫০০ কোটি টকাতকৈও অধিক প্ৰত্যক্ষ বিত্তীয় সাহায্য লাভ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিহাৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ লগতে কিছু সংখ্যক প্ৰকল্প দেশৰ নামত উৎসৰ্গাও কৰিব।

শ্ৰীমোদীয়ে ইয়াৰ পাছত ঝুমুইৰ বিনন্দিনী - ২০২৫ অনুষ্ঠানত অংশ ল'বলৈ গুৱাহাটী অভিমুখে ৰাওনা হ'ব। ঝুমুৰ নৃত্যৰ এই বৃহৎ কাৰ্যসূচীৰ জৰিয়তে চাহ উদ্যোগ তথা ৰাজ্যত ঔদ্যোগিকৰণৰ দুশ বছৰীয়া ইতিহাস উদযাপন কৰা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত আহিবলগীয়া বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ প্ৰতিনিধি দলে ঝুমুৰ নৃত্য উপভোগ কৰিব।

তেওঁ অহা মঙলবাৰে গুৱাহাটীত এডভাণ্টেজ আছাম অনুষ্ঠানৰ দ্বিতীয় সংস্কৰণ তথা বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলন-২০২৫ মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে এক সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰে। আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ জনসাধাৰণ নতুন প্ৰযুক্তি গ্ৰহণ আৰু ইয়াৰ ব্যৱহাৰৰ প্ৰতি সদায় আগ্ৰহী।

বিগত মাহটোত ইছৰোৱে ১০০ সংখ্যক ৰকেট উৎক্ষেপন কৰা কাৰ্যত তেওঁ গৌৰৱ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশ বিজ্ঞানীৰ দলত মহিলাৰ সংখ্যা বৃদ্ধি পোৱা বিষয়ত সন্তোষ প্ৰকাশ কৰে।অহা ২৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে শ্ৰোতাসকলক এদিনৰ বাবে নিজক বিজ্ঞানী হিচাপে চাবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত ৮ মাৰ্চৰ আন্তৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰসংগও উল্লেখ কৰে। শ্ৰীমোদীয়ে মন কী বাত অনুষ্ঠানত উত্তৰাখণ্ডত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বিষয়েও উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে মেদবহুলতাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি কয়, যে বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ২০২২ চনৰ বছৰটোত বিশ্বৰ প্ৰায় ২৫০ কোটি মানুহ মেদবহুলতাৰ চিকাৰ হৈছে। শ্ৰীমোদীয়ে মেদবহুলতাৰ বিষয়ে উল্লেখ কৰি কয়, যে এটা সুস্থ আৰু স্বাস্থ্যৱান জাতি হ'বলৈ মেদবহুলতাৰ দৰে সমস্যাৰ সমাধান কৰিবই লাগিব।

আজিৰ মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে দেশৰ চহকী জৈৱ বৈচিত্ৰৰ বিষয়েও উল্লেখ কৰে। পৰীক্ষাৰ্থীসকললৈ শুভেচ্ছা জনাই শ্ৰীমোদীয়ে কয়, যে পৰীক্ষাৰ সময়ত ছাপমুক্ত হৈ ইতিবাচক উদ্যমেৰে পৰীক্ষাত অৱতীৰ্ণ হোৱা উচিত।

ooooo

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কাইলৈৰ পৰা হ'বলগীয়া দিল্লী বিধানসভাৰ তিনিদিনীয়া অধিৱেশনত কেগৰ প্ৰতিবেদনে গুৰুত্ব লাভ কৰিব বুলি প্ৰকাশ কৰিছে। বিধায়িনী দলৰ বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয়, যে বিধানসভাৰ অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্য্যসূচীত সকলো বিধায়কে শপত গ্ৰহণ কৰিব। অধ্যক্ষ তথা উপাধ্যক্ষৰ পদবীৰ বাবেও কাইলৈ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি তেওঁ সদৰী কৰে। তেওঁ কয়, যে নতুন দিল্লীৰ বাসিন্দাসকলক প্ৰভাৱিত কৰা প্ৰধান সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিবলৈ বিশেষভাৱে এই তিনিদিনীয়া অধিৱেশনৰ আয়োজন কৰা হৈছে।

ooooo

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক নতুন দিল্লীত থকা তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনকল্যাণমূলক আঁচনি তথা তেওঁৰ নেতৃত্বৰ ওপৰত দিল্লীত জনসাধাৰণে অতুলনীয় বিশ্বাস প্ৰদৰ্শন কৰিছে। এই বিশ্বাসৰ প্ৰতি শ্ৰদ্ধা জনাই মুখ্যমন্ত্ৰী হিচাপে ৰেখা গুপ্তাই তেওঁৰ কাৰ্য্যকালত নতুন দিল্লীক উন্নতিৰ নতুন শিখৰলৈ লৈ যোৱাৰ লগতে জনসাধাৰণৰ আশাসমূহ পূৰণ কৰিব বুলি শ্ৰীশ্বাহে মত প্ৰকাশ কৰে। শ্ৰীমতী গুপ্তাই প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকো সাক্ষাৎ কৰে।

ooooo

শান্তি ৰক্ষাত মহিলাঃ গ্লোৱেল ছাউথৰ দৃষ্টিভংগী সন্দৰ্ভত মহিলা শান্তিৰক্ষকসকলৰ প্ৰথমখন সন্মিলন কাইলৈ নতুন দিল্লীত আৰম্ভ হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা কেন্দ্ৰ তথা প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সহযোগত দুদিনীয়া কাৰ্য্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। গ্লোৱেল ছাউথৰ দেশসমূহৰ ৩৫ টা বাহিনীৰ মহিলা শান্তি ৰক্ষকে এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰে এই সন্মিলনত মুখ্য ভাষণ দিব।

ooooo

বাংলাদেশৰ কেইবাখনো চিকিৎসা মহাবিদ্যালয় হাস্পতালত কনিষ্ঠ চিকিৎসকসকলে স্বাস্থ্য সেৱা খণ্ডত সংস্কাৰকে ধৰি তেওঁলোকৰ ৫ দফীয়া দাবী পূৰণৰ বাবে সম্পূৰ্ণ কৰ্ম-বিৰতি কাৰ্য্যসূচী ৰূপায়ণ কৰে। কনিষ্ঠ চিকিৎসকসকলৰ পৰিষদৰ আহ্বানত এই প্ৰতিবাদী কাৰ্য্যসূচী পুৱা ৮ বজাত আৰম্ভ হয়। ইয়াৰ ফলত ৰোগীসকল অসুবিধাৰ সন্মুখীন হোৱা বুলি জানিব পৰা গৈছে।

00000

সীমান্ত সুৰক্ষা বাহিনীৰ পঞ্জাৱ গোটে আজি অমৃতসৰত ব'ৰ্ডাৰমেন মাৰাথন-২০২৫ৰ আয়োজন কৰে। সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধান দলজিৎ সিং চৌধুৰী তথা বাহিনীটোৰ পঞ্জাৱ গোটৰ মহা-পৰিদৰ্শক ড০ অতুল ফুলজেলে আজি পুৱা গোল্ডেন গেটৰ পৰা পতাকা জোকাৰি এই কাৰ্য্যসূচী মুকলি কৰে। এই কাৰ্য্যসূচীৰ বিষয়বস্তু হৈছে অসামৰিক লোক তথা বাহিনীটোৰ মাজত পাৰস্পৰিক আস্থা বৃদ্ধি কৰিবলৈ সীমান্তৰ জনসাধাৰণৰ সৈতে হাতত হাত থোৱা।

00000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত কাইলৈ নিশা চাৰে ৯ বজাত **পুনৰব্যৱহাৰ আৰু আৱৰ্জনা ব্যৱস্থাপনা** সন্দৰ্ভত বৃত্তীয় অৰ্থনীতি তথা আৱৰ্জনা ব্যৱস্থাপনা বিশেষজ্ঞ ড০ সুনীল পাণ্ডে আৰু পৰিৱেশবিদ মুকুল সানৱালৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

00000

ডুবাইত আজি অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফীৰ খেলখনত পাকিস্তানে ভাৰতক জয়ৰ বাবে ২৪২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লোৱা পাকিস্তানে ভাৰতীয় বলাৰৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ৪৯ অভাৰ ৪ টা বলত ২৪১ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। পাকিস্তানৰ চাউদ চাকিলে ৬২, মহম্মদ ৰিজৱানে ৪৬ আৰু খুছদিল শ্বাহে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ কুলদীপ যাদৱে তিনিটা, হাৰ্দিক পাণ্ডিয়াই দুটা তথা হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২০ ৰাণ সংগ্ৰহ কৰিছে।

00000

পাকিস্তানে কালি সন্ধিয়া তেওঁলোকৰ জিম্মাত থকা ২২ গৰাকী ভাৰতীয় মাছমৰীয়াক মুকলি কৰি দিয়ে। মাছমৰীয়াকেইজনে আট্টাৰী-ৱাঘা যুটীয়া চেকপ'ষ্টৰ মাজেৰে দেশলৈ প্ৰত্যাৱৰ্তন কৰে। উল্লেখযোগ্য যে, ২০২১-২২ চনৰ সময়ছোৱাত সাগৰত মাছ ধৰি থকা অৱস্থাত অসাৱধানতাবশতঃ তেওঁলোকে পাকিস্তানৰ জলৰাশিত প্ৰৱেশ কৰিছিল। ইয়াৰ বাবে নিৰ্ধাৰিত শাস্তি ভোগ কৰাৰ পাছত তেওঁলোকক মুকলি কৰি দিয়া হয়। এই মাছমৰীয়াসকলৰ ভিতৰত ১৮ গৰাকী গুজৰাটৰ, তিনিগৰাকী ডিউৰ আৰু এগৰাকী উত্তৰ প্ৰদেশৰ। তদুপৰি, তিনিগৰাকী বিশেষভাৱে সক্ষম ব্যক্তি হোৱাৰ লগতে এগৰাকী মুক-বধিৰ বুলি জানিব পৰা গৈছে। আনহাতে, এগৰাকী মাছমৰীয়া কৰ্কট ৰোগত আক্ৰান্ত। মাছমৰীয়াসকলক ঘৰলৈ ওভতাই অনাৰ উদ্দেশ্যে গুজৰাটৰ মৎস্য বিভাগৰ এটা দল ইতিমধ্যে অমৃতসৰত উপস্থিত হৈছে।

00000

সমাপ্ত